জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫৮/২০২১

**২০২১ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিকল্প মূল্যায়ন সূত্ৰ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিনিধিবৰ্গৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক**

# বিকল্প মূল্যায়ন সম্পৰ্কীয় চৰকাৰী অধিসূচনাৰ ৫ নং দফা বাতিলকৰণৰ সিদ্ধান্ত

**দিছপুৰ, ৮ জুলাই ঃ** ক'ভিডকালীন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বাতিল কৰিবলগীয়া হোৱা ২০২১ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিকল্প মূল্যায়ন সূত্ৰ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিনিধিবৰ্গৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। জনতা ভৱনস্থিত বিত্ত বিভাগৰ সভাকক্ষত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্মৰ উপস্থিতিত অনুষ্ঠিত আজিৰ এই বৈঠকত বিকল্প মূল্যায়ন সন্দৰ্ভত আজি এক সিদ্ধান্তত উপনীত হয়।

বৈঠকৰ সিদ্ধান্ত অনুসৰি বিকল্প মূল্যায়নৰ বাবে গঠিত সমিতিয়ে দাখিল কৰা প্ৰতিবেদনৰ আধাৰত চৰকাৰে জাৰি কৰা অধিসূচনাৰ ৫ নং দফাটো বাতিলকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিকল্প মূল্যায়ন সূত্ৰ অনুসৰি ঘোষিত ফলাফলৰ নম্বৰ তালিকা তথা প্ৰমাণ-পত্ৰ উচ্চ শিক্ষা গ্ৰহণ, চাকৰি-বাকৰি তথা অন্যান্য সকলো ক্ষেত্ৰতে প্ৰযোজ্য হ'ব। অৱশ্যে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ বাবে চৰকাৰে প্ৰয়োজনীয় বুলি বিবেচনা কৰিলে সমপৰ্যায়ৰ এটা পৰীক্ষা অনুষ্ঠিত কৰিব পাৰিব বুলিও আজিৰ বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। অসম মাধ্যমিক শিক্ষা পৰিষদ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ লগতে অন্যান্য সকলো ব'ৰ্ড বা পৰিষদৰ অধীনৰ শিক্ষাৰ্থীৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য হ'ব।

বিকল্প মূল্যায়নৰ আধাৰত ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত স্থানপ্ৰাপ্তৰ তালিকা নাথাকিব যদিও পূৰ্বৰ দৰেই ডিষ্টিংশ্যন আৰু ষ্টাৰ নম্বৰৰ ব্যৱস্থা থাকিব।

আনহাতে, আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে এতিয়াৰে নৱম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষা অসম মাধ্যমিক শিক্ষা পৰিষদৰ তত্ত্বাৱধানত অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়ে। জিলা অধিবিদ্যা পৰিষদে অনুষ্ঠিত কৰিবলগীয়া এই পৰীক্ষাৰ প্ৰশ্নকাকত জিলাভিত্তিত উমৈহতীয়া হ'ব। এই পৰীক্ষাত অৱতীৰ্ণ পৰীক্ষাৰ্থী আৰু ফলাফলৰ তথ্য অসম মাধ্যমিক শিক্ষা পৰিষদৰ ওচৰত উপলব্ধকৰণৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

ৰাজ্যখনৰ শিক্ষাৰ্থীসকলৰ ভৱিষ্যত জীৱনৰ এটা জটিল বিষয়ৰ ওপৰত সমাধানসূত্ৰ উলিওৱাৰ পদক্ষেপৰ বাবে বৈঠকত সদৌ অসম ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিনিধিসকলে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। আগন্তুক দিনবোৰতো অসমৰ শিক্ষাখণ্ডক আগুৱাই নিয়াৰ দিশত মুখ্যমন্ত্ৰীয়ে সকলোৰে সহযোগিতাৰে পদক্ষেপ গ্ৰহণ কৰি যাব বুলি তেওঁলোকে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আশা প্ৰকাশ কৰে।

আজিৰ বৈঠকত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, উপদেষ্টা প্ৰকাশ দাস, সভাপতি দীপাংক কুমাৰ নাথ, সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়ো, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱা, সাধাৰণ সম্পাদক পলাশ চাংমাইকে ধৰি সংগঠনকেইটাৰ বিভিন্ন বিষয়ববীয়াই অংশগ্ৰহণ কৰে। বৈঠকত শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত প্ৰীতম শইকীয়া, অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষদ্বয়ৰ লগতে অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**০৮/০৭/২০২১**